মোবাইল ফ্ৰেইণ্ডলি
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক


www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

MONDAY, SEPTEMBER 16, 2024 ■ সোমবাৰ।। ৩০ ভাদ, ১৯৪৬ শকাব্দ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৫৫ Guwahati, Assam ।। মূল্যঃ এটকা

## নাটক আখ্যা বিজেপিৰ, উত্তৰসূৰীৰ চৰ্চাত আতিশী

# ‘দিল্লী’ এৰিব বুলি ঘোষণা কেজৰিৱালৰ!



নতুন দিল্লী, ১৫ ছেপ্টেম্বৰঃ দুদিনৰ ভিতৰত আনুষ্ঠানিকভাৱে মুখ্যমন্ত্ৰীৰ পদ এৰিব দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে। দিল্লীত আগতীয়া নিৰ্বাচনৰ দাবী জনাই দেওবাৰে কৰ্মী সমাৰোহত কেজৰিৱালে শেষাংশ ৪ পৃষ্ঠাত

# অসমীয়া সমালোচনাৰ পৰ্বান্তৰ (৩)

■ ড০ হীৰেন গোহাঁই

## বিশেষ লেখা



**স্বস্তিৰ কথা যে** 'অন্তৰ্দৃষ্টি' নামৰ সংকলনখনে মোৰ কষ্ট কমাই দিলে। সমালোচকসকলৰ কিতাপ দুষ্প্ৰাপ্য। কাৰণ কলকাতাৰ কলেজ ষ্ট্ৰীটৰ তুলনাত পাণবজাৰৰ কিতাপৰ দোকানত কিতাপ বিচৰা আৰু মৰুভূমিত পানী বিচৰা একেই কথা। সেয়ে আলোচ্য সমালোচকসকলৰ বক্তব্য সম্পৰ্কে উক্ত কিতাপত থুলমূল তথ্য পোৱা যায়। অসমীয়া সমালোচনাৰ বিভিন্ন পৰ্য্যায়ৰ সমীক্ষা কিতাপখনৰ বিশেষ বৰঙণি। তদুপৰি বিশিষ্ট ৰূপে নিৰ্বাচিত কেইগৰাকীৰ বিষয়ে কিছু বিস্তৃত আলোচনাই সমকালীন সমালোচনাৰ গতি-প্ৰগতি সম্পৰ্কে এটা শেষাংশ ২ পৃষ্ঠাত

# চাৰি ঘণ্টাৰ ইণ্টাৰনেট কৰ্তনৰে ২৮ খনকৈ জিলাত সম্পন্ন নিযুক্তি পৰীক্ষা

**ই-সংবাদ, ১৫ ছেপ্টেম্বৰঃ** নিযুক্তি পৰীক্ষাৰ বাবে দেওবাৰৰ দিনটোত ৰাজ্যখনৰ স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত কৰা হ’ল। ব্যৱসায়-বাণিজ্য ব্যাহত হৈ পৰিল। পুৱাৰে পৰা ৰাজ্যত কাৰ্ফিউ সদৃশ পৰিস্থিতি দেখা গ’ল। ৰাজ্যজুৰি ইণ্টাৰনেট সেৱা বন্ধ হোৱাৰ লগতে বহু পথ বন্ধ কৰি দিয়া হয়। পৰীক্ষা কেন্দ্ৰৰ সমীপৱৰ্তী শেষাংশ ৩ পৃষ্ঠাত

# কৰ্মচাৰীক ধন্যবাদ দিলে মুখ্যমন্ত্ৰীয়ে

**ই-সংবাদ, ১৫ ছেপ্টেম্বৰঃ** আজি ৰাজ্যজুৰি অসম প্ৰত্যক্ষ তৃতীয় বৰ্গৰ নিযুক্তিৰ লিখিত পৰীক্ষা সুকলমে অনুষ্ঠিত হৈ যোৱা বুলি দাবী কৰিছে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই। এই নিযুক্তি শেষাংশ ৫ পৃষ্ঠাত

## গাডকাৰীয়ে নাগপুৰত কৰা মন্তব্যক লৈ তোলপাৰ

# ‘মোক দিছিল প্ৰধানমন্ত্ৰী পদৰ অফাৰ’


**নাগপুৰ, ১৫ ছেপ্টেম্বৰঃ** আওপকীয়াকৈ হ’লেও নিজ দলৰ চৰকাৰক চোকা সমালোচনা কৰি বাৰে বাৰে বিতৰ্কত সোমাই পৰে বিজেপিৰ প্ৰাক্তন ৰাষ্ট্ৰীয় সভাপতি তথা কেন্দ্ৰীয় পথ-পৰিবহন মন্ত্ৰী নীতিন গাডকাৰী। কেইবাবাৰো নিজ দলৰ নেতাক পৰামৰ্শ দি চৰ্চালৈ আহিছিল নীতিন গাডকাৰী। আকৌ এক মন্তব্য প্ৰদান কৰি চৰ্চালৈ আহিছে গাডকাৰী। এইবাৰ প্ৰধানমন্ত্ৰী শেষাংশ ৫ পৃষ্ঠাত

# চৰকাৰী আৰ্ট কলেজত প্ৰতিবাদ

**ই-সংবাদ, ১৫ ছেপ্টেম্বৰঃ** গুৱাহাটীৰ চৰকাৰী চাৰু-কাৰু কলা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নেতৃত্বত ৮ ছেপ্টেম্বৰৰ পৰা ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদ শেষাংশ ৫ পৃষ্ঠাত

# আলফাক উচটনি যোগোৱা হিমন্ত বিশ্ব শৰ্মাক গ্ৰেপ্তাৰ কৰিবনে?

## প্ৰশ্ন বিৰোধী দলপতি দেৱব্ৰত শইকীয়াৰ



**গুৱাহাটী, ১৫ ছেপ্টেম্বৰঃ** বৰ্ষাশ্ৰী বুঢ়াগোহাঁইক 'স্বাধীন সুৰুযৰ দিশে আকৌ এখোজ’ শীৰ্ষক এটা কবিতা লিখা বাবেই জেলত ভৰাই দিয়া হৈছিল। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শেষাংশ ৩ পৃষ্ঠাত



স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে অনশনৰত ছাত্ৰ

# স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে অনশন, অসুস্থ এজন

**ই-সংবাদ, ১৫ ছেপ্টেম্বৰঃ** ৰাজ্যখনৰ বিদ্যুৎ গ্ৰাহকৰ তেজ শুহি খাইছে স্মাৰ্ট মিটাৰে। পূৰ্বে মাহেকত ৫০০ টকা বিদ্যুৎ বিল আদায় দিয়া পৰিয়ালে এতিয়া ১৫০০ৰ পৰা ২০০০ টকা বিদ্যুৎ শেষাংশ ৫ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# অসমীয়া সমালোচনাৰ পৰ্বান্তৰ

ধাৰণা দিব পাৰে।

মোৰ ধাৰণা যে তথাপি আধুনিক কাল চোৱাৰ এক বিশেষ অবদান হৈছে সমালোচনাক সাহিত্যৰ এক বিশেষ আৰু গুৰুত্বপূৰ্ণ বুলি নিৰ্ধাৰণ কৰা ঘটনা। সমালোচনা আন সৃষ্টিশীল সাহিত্যৰ নেগুৰ বা অনুচৰ বুলি নধৰি তাক সাহিত্যৰ এক আৱশ্যকীয় অংগ ৰূপে ধৰি লোৱা তাৰ উত্তৰণৰ লক্ষণ।

পৰ্বসমূহৰ সমীক্ষাৰ ভিতৰত তৰণী ডেকাৰ প্ৰবন্ধটো তথ্যপূৰ্ণ আৰু পৰিপক্ক যদিও বাকী কেইটাৰ মানো অবহেলা কৰিব পৰা নহয়। সেইবোৰতো স্বতন্ত্ৰ বিচাৰৰ চেষ্টা লক্ষ কৰিব পাৰি।

ব্যক্তিবিশেষৰ অবদান লৈ আলোচনাত প্ৰবৃত্ত হোৱাৰ পূৰ্বে আধুনিকতম পৰ্যায়ৰ ওপৰত ব্যাপক আৰু মৌলিক প্ৰভাৱ পেলোৱা এক সৰ্বাত্মক ভাব-বিপ্লৱ সম্পৰ্কে যথাযথ আলোচনা কৰা দৰকাৰ। কাৰণ তেহে শেহতীয়া সমালোচনাৰ আকৰ্ষণ আৰু বিপদ সম্পৰ্কে সজাগ তথা নিৰ্মোহ হোৱা সম্ভৱ।এই পৰ্যায় ঘাইকৈ উত্তৰাধুনিক বুলি বিশেষায়িত কৰিব পাৰি।

ইয়াৰ ঘাই বৈশিষ্ট্য হৈছে সমালোচনাৰ পৰম্পৰাগত মূল ধাৰণাসমূহকে নস্যাৎ কৰা। আৰিস্ততলৰ সময়তে সাহিত্যকৰ্মৰ ৰূপ আৰু গুণ অনুযায়ী তাৰ বিশ্লেষণ আৰু বিভাজন কৰা হৈ আছে বিভিন্ন পদ্ধতি আৰু দৃষ্টিকোণৰ সহায়ত। কিন্তু এতিয়া আমাক কোৱা হ'ল যে এইবোৰ সকলো বিভ্ৰম, বৰং এইবোৰৰ মোহৰ পৰা মুক্ত হলেহে আমাৰ চেতনা দোষমুক্ত হব!!

এই নতুন approachএ Theory বা তত্ত্ব নাম দি এনে এক বাগধাৰা গঢ়ি ললে যাক দাৰ্শনিকসকলে নিজৰ বুলি নামানে। যি নহওক, এই তত্ত্ব মতে সাহিত্যৰ বিচাৰত নতুন ধাৰণা কিছুমান সাজি লৈ এই সমালোচনাৰ পন্থাই সমালোচনাৰ ঠাইত নতুন কিছুমান বক্তব্য দাঙি ধৰিবলৈ চেষ্টা কৰিলে।

সমাজ (community) আৰু সংযোগ (communication) একেটা মুদ্ৰাৰ দুটা পিঠি। এটাৰ অবিহনে আনটো অসম্ভৱ। সমাজবদ্ধ জীৱ-জন্তুৰ মাজতো ভাব-বিনিময়ৰ প্ৰচলিত উপায় আছে। উন্নত জন্তু মানুহৰ মাজত ভাষা হৈছে এনে সংযোগৰ মাধ্যম। ভাবৰ স্বতন্ত্ৰ অস্তিত্ব নাই।

বহু যুগৰ বিবৰ্তন আৰু পৰিবৰ্তনৰ মাজেৰে গঢ় লোৱা ভাষাৰ মাজত এনে ভাব-বিনিময় বা সংযোগৰ বিচিত্ৰ আৰু সমৃদ্ধ ধাৰা গঢ় লৈছে। তাৰ মাজত আমাৰ মতে সাহিত্য ৰচনা আৰু চৰ্চাৰ ধাৰাও আছে যি মানুহৰ বাবে বিশেষ তাৎপৰ্য্যপূৰ্ণ।

কিন্তু এই তত্ত্ববিদ সকলৰ মতে এতিয়ালৈ সাহিত্য বা সমালোচনাত লেখকক যি গুৰুত্ব দি অহা হৈছে সি ভ্ৰমাত্মক। কাৰণ আমাৰ সমুখত যি আছে সি এটা বা একাধিক 'পাঠ"(text)।

পাঠ মানে অৰ্থ থকা একোটা প্ৰতীক বা প্ৰতীকৰ সমষ্টি। এক বহল অৰ্থত অতীতৰ এটা ঘৰ (থকা ঘৰ,দেৱতা পূজা বা অৰ্চনা কৰা ঘৰ বা সমাজ বহি মেল পাতা ঘৰ আদি,) অথবা এটা ধৰ্মপন্থা বা ৰজাৰ এখন শিলালিপি পাঠ।

এটা অৰ্থপুৰ্ণ সংযোগৰ বাহন। কোনে কৈছে সেইটো তত্ত্ববিদ সকলৰ মতে ডাঙৰ কথা নহয়। মুঠতে কিবা কোৱা হৈছে।

সাহিত্য নামেৰে যিবোৰ পাঠ গৃহীত,সেইবোৰৰ এক নিৰ্দিষ্ট অৰ্থ আছে বুলি ভবা ভুল। ব্যক্তিভেদে,যুগভেদে তাৰ বেলেগ বেলেগ অৰ্থ হব পাৰে আৰু হয়। সেয়ে তত্ত্ববিদ সকলে তাৰ বাবে কৰ্ত্তা হিচাবে লেখকক গুৰুত্ব দিবলৈ নিবিচাৰে।

সন্দেহ নাই যে ই এক মানৱতাবাদ-বিৰোধী চিন্তাধাৰা। মানুহৰ উদ্দেশ্য-প্ৰণোদিত কৰ্ম বা তাৰ গুৰুত্ব নাকচ কৰা তাৰ এক নিগূঢ় অভিপ্ৰায়।

প্ৰথমতে সমাজবাদী চিন্তাধাৰাক নাকচ কৰি ফ্ৰান্সত মানুহৰ কৰ্মৰাজি বা মানুহে অৰ্থপূৰ্ণ বুলি জ্ঞান কৰা বিভিন্ন মানসিক অনুশীলন বিশ্লেষণ কৰাৰ এটা পদ্ধতি হিচাবে গঠনতন্ত্ৰবাদ(structuralisn) গঢ় লয়।

জাক ডে'ৰিডাই আকৌ গঠনতন্ত্ৰ(structure) বস্তুটোৰেই বিশ্লেষকে নিজ দৃষ্টিকোণৰ পৰা গঢ়ি লোৱা এটা নিতান্ত আপেক্ষিক আৰু আকস্মিক(casual) প্ৰপঞ্চ বুলি নিৰ্ণয় কৰি দেখুৱালে। আৰু সেই বিচাৰধাৰাৰ প্ৰবল ধুমুহাত বেছ কিছুকাল ধৰি আমেৰিকাৰ বিদ্যা-চৰ্চাৰ জগতখন এক তমোময় উন্মাদনা বিৰাজ কৰিলে।

সাহিত্যৰ পণ্ডিতসকলে এফালৰ পৰা গুৰুত্বপূৰ্ণ বুলি ধৰি লোৱা সকলো সাহিত্যকৰ্ম আচলতে কোনো নিৰ্দিষ্ট অৰ্থই বহন নকৰা শব্দৰ সমাবেশ বুলি দেখুৱাই গ'ল, পূৰ্বৰ সমালোচনাই যেনে অৰ্থৰ বাবে সেইবোৰ মহৎ বা মানুহৰ বাবে যুগ যুগান্তৰলৈ বাংময় বুলি ধৰি লৈছিল সেই সকলো স্ববিৰোধী আৰু প্ৰকৃততে নিৰৰ্থক বুলি ফঁহিয়াই প্ৰতিপন্ন কৰিলে।

এটা সময় আহিল যেতিয়া এই সকল তত্ত্ববিদে সাহিত্য চেৱাই গৈ অৰ্থনীতি,সমাজবিদ্যা আদি আন মানৱ-বিদ্যা সকলোৰেই অৰ্থৰ মৰীচিকা খেদি ফুৰা বুলি 'প্ৰমাণ কৰি' বহু জ্ঞানবৃদ্ধ পণ্ডিতৰ মূৰৰ ঘিঁউ উতলাইহে এৰিলে।

ঘটনা এই পৰ্যায় পালেগৈ যে এই মাৰ্গৰ এক প্ৰধান গুৰু জাক ডে'ৰিডাক কেম্বব্ৰিজ বিশ্ববিদ্যালয়ৰ সন্মানীয় ডক্টৰেট উপাধি দিয়াৰ সিদ্ধান্ত লোৱাত নানা বিষয়ৰ এশ গৰাকী বিদগ্ধ পণ্ডিতে ডে'ৰিডাক প্ৰায় চেৰাবলীয়া বুলি আখ্যা দি বাতৰিকাকতত ঘোৰ প্ৰতিবাদ ছপালে।

আনহাতে ডেকা এচামে এই বুঢ়া কেইটাই নতুন জ্ঞানৰ জিলিঙনিত একো মণিব নোৱাৰি হুলস্থুল কৰা বুলি ৰগৰ কৰিলে। ভাব-জগতৰ এই তয়াময়া কন্দলত সাধাৰণ শিক্ষিত মানুহে ভেবাচেকা খালে।

এই সমগ্ৰ ঘটনাৰ আঁৰত এটা ৰহস্য থকা বুলি ভাবোঁ। বিবৰি কৈছোঁ। আন ঠাইত লিখিছোঁ যে আমেৰিকাৰ বিপুল বাৰ্ষিক ৰপ্তানিৰ এটা হৈছে মতাদৰ্শগত সামগ্ৰী।

বিশ্বৰ বৃহত্তম ৰপ্তানিৰে সমৃদ্ধ দেশ হবলৈ আৰু তাৰ পৰা লাভ উঠাবলৈ কেৱল বৃহৎ উৎপাদনেই যথেষ্ট নহয়।সকলো প্ৰকাৰৰ চেষ্টাৰে(প্ৰয়োজন হলে ধমকি আনকি যুদ্ধৰ আশ্ৰয়ো লোৱা হয়) আমেৰিকাৰ প্ৰাধান্য অটুট ৰাখিব লাগিব।

সেয়ে আন মতাদৰ্শই যাতে আমেৰিকাৰ প্ৰভুত্ব দুৰ্বল কৰিব নোৱাৰে তাৰ বাবে লিখা-মেলাৰ জগত খনতো আমেৰিকাৰ প্ৰভাৱ ৰক্ষা কৰাৰ প্ৰয়োজন।

সম্প্ৰতি বিশ্বৰ বহু দেশতে আমেৰিকাৰ চিন্তা-ভাবনা তথা প্ৰভুত্ব স্বদেশৰ বাবে ক্ষতিকৰ বুলি এচাম মানুহে প্ৰত্যাহ্বান জনাইছে ৰাজনৈতিক ভাবে।ৰাজনীতিত মতাদৰ্শৰ যুঁজ খন অতি ফলদায়ক। সেয়ে তেনে দেশৰ আৰু নিজ দেশৰো বিৰোধী শক্তি বোৰক মতাদৰ্শগতভাবে নিৰস্ত্ৰ কৰা দৰকাৰ।

আমি ওপৰত উল্লেখ কৰা উত্তৰাধুনিকতাবাদ এক মোক্ষম অস্ত্ৰ। কাৰণ ই কাৰ্যক্ষেত্ৰত চিন্তাৰ জাল তৰি কোনো সক্ৰিয় ভূমিকা লোৱাত দ্বিধা, সংকোচ আৰু সংশয় জন্মাই বাধা দিয়ে।

সমাজ পৰিৱৰ্তনৰ আহ্বান দিয়া সকলে ভুল ধাৰণাৰ অবসান ঘটাই বাস্তৱ জগতত পৰিৱৰ্তন আনিবলৈ বিচাৰে। কিন্তু উত্তৰাধুনিক সংশয়বাদ দেখাত অতি সূক্ষ্ম গভীৰ চিন্তাৰ দ্বাৰা প্ৰণোদিত।

সি যদি আমাক বুজায় যে বাস্তৱ বুলি একো নাই বা বেলেগ বেলেগ মানুহৰ বাবে বাস্তৱ বেলেগ বেলেগ, তেনেহ'লে সঠিক চিন্তা বা বাস্তৱ সমাজ বুলিও একো নাই। এতেকে বাস্তৱ পৰিবৰ্তনৰ চেষ্টা এক ডাঙৰ ভ্ৰম। তেনে চিন্তাৰ ফলত আমেৰিকাৰ শোষণ দমন বাদেই,যি কোনো বাস্তৱৰ পৰিবৰ্তনৰেই চেষ্টা আত্মপ্ৰচাৰ মাত্ৰ।

কোৱা বাহুল্য যে এনে মত পোষণ কৰা মানুহে সমাজৰ অৰ্থনীতি,চৰিত্ৰ আৰু ভাবধাৰা সলোৱাত উৎসাহ নিদিয়ে আৰু সহায়ো নকৰে। অথচ নিজে এক দিগগজ চিন্তাবিদ বুলি আত্মপ্ৰসাদ লাভ কৰিব। আত্মশ্লাঘা হে পাপ, আত্মপ্ৰসাদ অতি উত্তম প্ৰসাদ। **(আগলৈ)**

প্ৰথম পৃষ্ঠাৰ পৰা...

# আলফাক উচটনি যোগোৱা হিমন্ত

এতিয়া অসমৰ বাহিৰত আলফাৰ দৰে উগ্ৰপন্থী সংগঠনক সেনাবাহিনীক আক্ৰমণ কৰিবলৈ জনোৱা আহ্বানৰ পিছত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব নে নাই? এই প্ৰশ্ন বিৰোধী দলৰ নেতা দেৱব্ৰত শইকীয়াৰ। আজি শিমলুগুৰিত এক সংবাদমেলত শইকীয়াই কয় যে আলফাৰ দৰে উগ্ৰপন্থী সংগঠনক সেনাবাহিনীৰ বিৰুদ্ধে উচটনি যোগোৱা কাৰ্য সাংবিধানিক পদত থকা এজন লোকে কেনেকৈ কৰিব পাৰে? ভাৰতবৰ্ষৰ অংগৰাজ্য অসমক পৃথক কৰাৰ দাবী তুলি আলফাৰ দৰে সংগঠনে সশস্ত্ৰ আৰু হিংসাত্মক কাৰ্যকলাপ অব্যাহত ৰখাৰ সময়ত মুখ্যমন্ত্ৰীজনৰ এনে মন্তব্য কেন্দ্ৰীয় গৃহবিভাগে কেনেদৰে লয় সেয়া চাবলগীয়া হ'ব। শইকীয়াই লগতে কয়, কংগ্ৰেছ দল কেতিয়াও জনজাতি বিৰোধী নহয় আৰু কংগ্ৰেছে ট্ৰাইবেল বেল্ট আৰু ব্লকসমূহ সুৰক্ষিত কৰাৰ স্বাৰ্থতেই কাম কৰি আহিছে। বিগত এসপ্তাহ ধৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কংগ্ৰেছ দল আৰু মোক আক্ৰমণৰ লক্ষ্য কৰি আহিছে বুলি উল্লেখ কৰি শইকীয়াই কয় যে ট্ৰাইবেল বেল্ট সুৰক্ষাৰ ক্ষেত্ৰত প্ৰয়োজন হ'লে নতুন আইন আনক। বিজেপিয়েহে জনজাতিসমূহৰ বিৰুদ্ধে কাম কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে কামৰূপৰ বহু এলেকাত জনজাতীয় বেল্ট যোৱা ৮ বছৰ সংৰক্ষণমুক্ত কৰি কাৰোবাক সহায় কৰি আহিছে। কংগ্ৰেছ চৰকাৰে জনজাতিসকলৰ সুৰক্ষাৰ বাবে তাহানিৰে পৰা কাম কৰি আহিছে আৰু গোপীনাথ বৰদলৈ ডাঙৰীয়াই ট্ৰাইবেল বেল্ট আৰু ব্লকসমূহ চিহ্নিত কৰি জনজাতিসকলৰ ভাষা-সাহিত্য, কৃষ্টি আৰু ভূমিৰ অধিকাৰ সুৰক্ষিত কৰিছে। কংগ্ৰেছে সদায় জনজাতীয় লোকসকলৰ সপক্ষে কাম কৰি যাব বুলি উল্লেখ কৰি কচুতলিৰ সমীপত থকা উদ্যোগসমূহ চৰকাৰে উচ্ছেদ কিয় নকৰে বুলিও তেওঁ মুখ্যমন্ত্ৰীক প্ৰশ্ন কৰে। লগতে কচুতলিত সংঘটিত ৰক্তপাতৰ ঘটনা মোৰ উচটনিত হোৱা বুলি মুখ্যমন্ত্ৰীয়ে যি অভিযোগ উত্থাপন কৰিছে সেয়া ভিত্তিহীন বুলি উল্লেখ কৰি শইকীয়াই কয় যে চৰকাৰে যদি মোৰ উচটনিমূলক মন্তব্যৰ কিবা প্ৰমাণ দিব পাৰে তেতিয়াহ'লে মই ভাৰতীয় ন্যায় সংহিতাৰ অধীনৰ যিকোনো শাস্তি মূৰ পাতি ল'বলৈ সাজু আছো। অসম আৰক্ষীৰ সঞ্চালক প্ৰধানক সাক্ষ্য প্ৰমাণ গোটাই আজি বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই তেওঁৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিবলৈকো প্ৰত্যাহ্বান জনায়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# চাৰি ঘণ্টাৰ ইণ্টাৰনেট

পথসমূহ বন্ধ কৰি দিয়া হৈছে৷ ফলত ৰাজ্যৰ প্ৰান্তে প্ৰান্তে যান-জঁট দেখা গৈছে৷ কিছু কিছু এলেকাত ঘণ্টাৰ পাছত ঘণ্টা ধৰি পথতে আৱদ্ধ হৈ থাকিবলগীয়া হয় পথযাত্ৰী৷ পৰীক্ষা কেন্দ্ৰসমূহৰ বাহিৰত প্ৰাৰ্থীৰ সৈতে অহা অভিভাৱকে ভিৰ কৰাত পথত ব্যাপক যান-জঁটৰ সৃষ্টি হয়। গুৱাহাটী মহানগৰীত পুৱাই অভাৱনীয় ভিৰ পৰিলক্ষিত হয়। নলবাৰী সদৰ চহৰত ভয়াবহ পৰিবেশৰ সৃষ্টি হয়৷ ৰাজ্য চৰকাৰে জনসাধাৰণৰ সমস্যাত পেলোৱাৰ কাৰণ এটাই কোনো বিতৰ্কৰ সৃষ্টি নোহোৱাকৈ নিযুক্তি পৰীক্ষা অনুষ্ঠিত কৰা৷ ৰাজ্যত অনুষ্ঠিত সৰ্ববৃহৎ নিযুক্তি পৰীক্ষা সুকলমে অনুষ্ঠিত কৰিবলৈ ৰাজ্য প্ৰশাসন তথা আৰক্ষীয়ে ব্যাপক বন্দোবস্ত কৰে৷ সমানে প্ৰতিটো পৰীক্ষা হল'ত নিৰাপত্তাৰক্ষী নিয়োগ কৰা হয়৷ আৰক্ষীৰ তালাচীৰ মাজেৰেহে পৰীক্ষাৰ্থীসকলক পৰীক্ষাগৃহত প্ৰৱেশ কৰিব দিয়া হৈছে। কেন্দ্ৰৰ ভিতৰলৈ মোবাইল, বেগ, পানীৰ বটল, ঘড়ী আদি নিবলৈ দিয়া হোৱা নাই। চিচিটিভিৰ ব্যৱস্থা কৰা হৈছে৷ চিচিটিভি নথকা কেন্দ্ৰত ভিডিঅ'গ্ৰাফাৰৰ ব্যৱস্থা কৰা হৈছে। পৰীক্ষাত পৰীক্ষা কেন্দ্ৰসমূহৰ ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত এইন লোকৰ প্ৰৱেশত বাধা নিষেধ কৰা হৈছে। পৰীক্ষাৰ্থীৰ বাহিৰে অইন কোনো লোক পৰীক্ষা গৃহত প্ৰৱেশ কৰিব নোৱাৰিব। ১০.৩০ বজাৰ পৰা অনুষ্ঠিত পৰীক্ষা ১.৩০ বজাত সমাপ্ত হয়৷ উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ তৃতীয় বৰ্গৰ নিযুক্তি পৰীক্ষা ২৮ খন জিলাৰ ২,৩০৫টা কেন্দ্ৰত অনুষ্ঠিত হয়। পুৱা ১০:৩০ বজাৰ পৰা অনুষ্ঠিত পৰীক্ষাত ১১,২৩,২০৪ গৰাকী পৰীক্ষাৰ্থীয়ে পৰীক্ষা দিয়ে। পৰীক্ষাত নকল, কাকত ভাইৰেল কৰিব নোৱাৰে তাৰ বাবে পুৱা ১০ বজাৰ পৰা ৰাজ্যজুৰি ইণ্টাৰনেট সেৱা বন্ধ কৰি দিয়া হয়। দিনৰ ১:৩০ বজালৈ অৰ্থাৎ পৰীক্ষা শেষ হোৱাৰ সময়লৈ ইণ্টাৰনেট সেৱা বন্ধ থাকে। প্ৰায় চাৰিঘণ্টা সমগ্ৰ অসমতে ইণ্টাৰনেট সেৱা কৰ্তন কৰা হয়। পুৱা ১০ বজাৰ পৰা দিনৰ ১ বাজি ৩০ মিনিটলৈ মোবাইল ইণ্টাৰনেট, মোবাইল ডাটা, মোবাইল সেৱা বন্ধ থাকে। অৱশ্যে ভইচ কল আৰু ব্ৰডবেণ্ড সেৱা অব্যাহত আছে। পৰীক্ষা হল'ত মোবাইল নিষিদ্ধ কৰা হয়। উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ তৃতীয় বৰ্গৰ নিযুক্তি পৰীক্ষাৰ দ্বাৰা এটা কথা স্পষ্ট হৈছে যে অসম আজি ভয়াৱহ নিবনুৱা সমস্যাৰে ভাৰাক্ৰান্ত৷ তৃতীয় বৰ্গৰ পদৰ বাবে প্ৰায় ১২ লাখ নিবনুৱাই আবেদন কৰিছে৷ এই পৰীক্ষাত বে-টেক, এম-টেক, স্নাতকোত্তৰ ডিগ্ৰীধাৰীয়েও চাকৰিৰ বাবে আবেদন কৰিছে৷ নিবনুৱা সমস্যাৰ সমাধান যে কেৱল চৰকাৰী চাকৰিয়ে কৰিব নোৱাৰে সেয়া স্পষ্ট হৈছে৷ ৰাজ্যত ক্ষুদ্ৰ, মজলীয়া উদ্যোগ গঢ়ি সংস্থাপনৰ বাট মুকলি কৰিব লাগিব৷ চৰকাৰে প্ৰশ্নকাকত ফাদিল ৰোধ কৰিব এনে ব্যৱস্থা কৰা দেখা গৈছে৷ সমানে নিযুক্তি পৰীক্ষাত নকল কৰিবলৈ ৰাজ্য চৰকাৰে অসম লোক পৰীক্ষা আইন, ২০২৪ ৰূপায়ণ কৰি এই ব্যৱস্থা কৰিছে। অসৎ উপায় অৱলম্বন কৰিলে ধৰা পৰা প্ৰাৰ্থীৰ তিনি বছৰৰ পৰা সৰ্বোচ্চ ১০ বছৰ পৰ্যন্ত কাৰাদণ্ডৰ সন্মুখীন হোৱাই নহয় ১০ লাখৰ পৰা ১০ কোটি পৰ্যন্ত জৰিমনা বিহা হ'ব পাৰে। জিলা আয়ুক্তসকলৰ সৈতে আয়ুক্ত-সচিব, সচিব পৰ্যায়ৰ একোজনকৈ বিষয়াক বিশেষভাবে নিয়োগ কৰা হৈছে। প্ৰতিটো কেন্দ্ৰত একোজনকৈ ৰাজপত্ৰিত বিষয়া আৰু বিদ্যালয় পৰিদৰ্শকক ছুপাৰভাইজৰ হিচাপে নিয়োজিত কৰা হৈছে। ইফালে, ঠায়ে ঠায়ে মহিলা পৰীক্ষাৰ্থীক চেকিঙৰ নামত অশালীন ব্যৱহাৰ কৰাৰো অভিযোগ উত্থাপিত হৈছে। ফেচবুকযোগে বহুতেই এই সন্দৰ্ভত পোষ্ট দিয়া পৰিলক্ষিত হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘দিল্লী’ এৰিব বুলি ঘোষণা

এই ঘোষণা কৰিছে৷ দিল্লীত ফেব্ৰুৱাৰী মাহত বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হ’ব৷ নিৰ্বাচনলৈ ৫ মাহ বাকী থকা অৱস্থাত অৰবিন্দ কেজৰিৱালে মুখ্যমন্ত্ৰীৰ চকী এৰাৰ সিদ্ধান্ত লৈছে৷ কেজৰিৱালে মুখ্যমন্ত্ৰীৰ পদ ত্যাগ কৰাৰ ঘোষণা কৰি কয় যে মই দেশৰ সংবিধান আৰু গণতন্ত্ৰ ৰক্ষা কৰাৰ স্বাৰ্থতহে পদত্যাগ কৰা নাছিলো৷ কিন্তু এতিয়া দুদিনৰ ভিতৰত মই পদত্যাগ কৰিম। জনগণে পুনৰ ৰায় নিদিয়ালৈকে মই মুখ্যমন্ত্ৰীৰ চকীত নবহো৷ উল্লেখ্য যে, বিজেপি চৰকাৰে ইটোৰ পাছত সিটো গোচৰ জাপি দি আম আদমী পাৰ্টীৰ শীৰ্ষ নেতাক গ্ৰেপ্তাৰ কৰি জেল-হাজোতত বন্দী কৰিছে৷ ইডি, চিবিআই আদিৰ দৰে ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থাৰ ৰোষত পৰা আম আদমী পাৰ্টীৰ মুৰব্বী তথা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক উচ্চতম ন্যায়ালয়ে তিনি পূৰ্বে জামিনত মুকলি কৰি দিছে৷ ৬ মাহৰ মূৰকত মুকলি আকাশৰ তললৈ ওলাই আহে যদিও জামিন প্ৰদানৰ সময়ত কেইবাটাও চৰ্ত লগাই উচ্চতম ন্যায়ালয়ে৷ সচিবালয়, মুখ্যমন্ত্ৰীৰ কাৰ্যালয় যাব নোৱাৰিব৷ লেফটেনেণ্ট গভৰ্ণৰৰ অনুমোদন প্ৰাপ্ত নোলোৱাকৈ বা অনুমতি নোহোৱালৈকে চৰকাৰী ফাইলত স্বাক্ষৰ কৰিব নোৱাৰিব। কেজৰিৱালক বাতিল কৰা সুৰা নীতি আৰু ৰূপায়ণত অনিয়মৰ অভিযোগক লৈ ৰাজহুৱা বিবৃতি নিদিবলৈ নিৰ্দেশ দিছে আদালতে। জামিন লাভ কৰি দলীয় কাম-কাজ কৰিব পাৰিব যদিও চৰকাৰৰ কাম কাজত বাধা আৰোপ কৰা হৈছে৷ যাৰ বাবে অসহায় অৰবিন্দ কেজৰিৱালে অৱশেষত মুখ্যমন্ত্ৰীৰ চকী এৰিবলৈ বাধ্য হয়৷ আজি মুখ্যমন্ত্ৰী পদ এৰাৰ ঘোষণা কৰিছে অৰবিন্দ কেজৰিৱালে৷ অৰবিন্দ কেজৰিৱালে আম আদমী পাৰ্টিৰ কৰ্মীক সম্বোধন কৰি পদত্যাগৰ কথা ঘোষণা কৰি কয় যে জনসাধাৰণৰ আশীৰ্বাদত বিজেপিৰ সকলো ষড়যন্ত্ৰৰ প্ৰতিৰোধ কৰাৰ শক্তি মোৰ আছে। আমি বিজেপিৰ সন্মুখত নমনীয় হোৱা বা বিক্ৰী হ’ব নোৱাৰিম। আমি আজি দিল্লীৰ বাবে যিমান কৰিলো আন কাৰ কৰাৰ সৎ সাহস আছে৷ আমাৰ সততাক ভয় কৰে কাৰণ তেওঁলোক সৎ নহয়। মই ক্ষমতালৈ ধন আৰু ধনৰ শক্তিৰ খেলত অংশ ল’বলৈ অহা নাছিলো। দুদিনৰ পিছত, মই মুখ্যমন্ত্ৰীপদৰ পৰা পদত্যাগ কৰিম। মই আইনৰ আদালতৰ পৰা ন্যায় পাইছো, এতিয়া জনসাধাৰণৰ আদালতে মোক ন্যায় দিব। কেজৰিৱালে ৰাইজে ৰায় নিদিয়ালৈকে মই মুখ্যমন্ত্ৰীৰ চকীত নবহো বুলি স্পষ্ট কৰে। কেজৰিৱালে আবেগিত আহ্বান জনাই কয় যে কেইমাহমানৰ পিছত দিল্লীত নিৰ্বাচন৷ যদি আপোনালোকে কেজৰিৱালক সৎ বুলি ভাবে, আগন্তুক নিৰ্বাচনত মোক ভোট দিয়ক। আপোনালোকৰ এটা এটা ভোট মোৰ সততাৰ প্ৰমাণপত্ৰ হ'ব। মোৰ বিৰুদ্ধে অভিযোগ আনি কেজৰিৱাল এজন চোৰ বুলি কৈছে৷ কিন্তু মই ক্ষমতাৰ খেল খেলিবলৈ অহা নাছিলো৷মই দেশৰ বাবে কিবা কৰিবলৈ আহিছিলো। যেতিয়া ভগৱান ৰামে ১৪ বছৰৰ পিছত বনবাস খাটি উভতি আহিছিল, সীতা মাক অগ্নিপৰীক্ষা ৰক্ষা কৰিব লগা হৈছিল। আজি মই কাৰাগাৰৰ পৰা ওলাই আহিছো আৰু অগ্নিপৰীক্ষা ল'বলৈ সাজু। কেইজনমান লোকে কৈছে যে উচ্চতম ন্যায়ালয়ে কিছু চৰ্ত আৰোপ কৰিছে, কাম কৰিব নোৱাৰিব। যোৱা ১০ বছৰত চৰ্ত প্ৰয়োগ কৰিবলৈ কোনো ধৰণৰ চেষ্টা এৰা নাছিল। কেজৰিৱালে লগতে দেশৰ অ-বিজেপি শাসিত ৰাজ্যৰ মুখ্যমন্ত্ৰীক উদ্দেশ্যে কয় যে মই দেশৰ সকলো অ-বিজেপি মুখ্যমন্ত্ৰীক হাত জোৰ কৰি অনুৰোধ জনাইছো৷ যদি প্ৰধানমন্ত্ৰীয়ে আপোনাৰ বিৰুদ্ধে ভুৱা গোচৰ ৰুজু কৰে তেন্তে আপোনাক কাৰাগাৰত ৰাখে৷ তেন্তে কোনো পৰিস্থিতিত পদত্যাগ নকৰিব৷ আমাৰ বাবে পদৰ বাবে নহয়৷ দেশৰ সংবিধান আৰু গণতন্ত্ৰ প্ৰয়োজনীয়। চৰকাৰে ইমান বৃহৎ সংখ্যাগৰিষ্ঠতাৰে জয়লাভ কৰিছে৷ আপুনি আপোনাক কাৰাগাৰত ৰাখিব আৰু পদত্যাগ কৰিবলৈ ক'ব৷ বিজেপিৰ সূত্ৰ আপে বিফল কৰিছে। কেজৰিৱালে পদ এৰাৰ পাছতে আম আদমী পাৰ্টীৰ কোনজন নেতাৰ কপাল ফুলিব৷ কিয়নো প্ৰায় ৫ মাহ মুখ্যমন্ত্ৰী পদত বহিব পাৰিব আম আদমী পাৰ্টীৰ এজন নেতাই৷ এতিয়া প্ৰশ্ন হৈছে এই ভাগ্যৱান নেতা জন কোন? পদ ত্যাগৰ ঘোষণা কৰাৰ সময়ত কেজৰিৱালে কয় অহা কেইদিনমানৰ ভিতৰত আপৰ বিধায়কসকলে এখন বৈঠক অনুষ্ঠিত কৰিব আৰু এজন আপ নেতাই মুখ্যমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী হিচাপে নিযুক্তি পাব পৰা সম্ভাব্য প্ৰাৰ্থীসকলৰ ভিতৰত আছে আতিশী মাৰ্লীনা৷ আতিশী ২০২০ চনত প্ৰথমবাৰৰ বাবে দিল্লী বিধানসভালৈ নিৰ্বাচিত হৈছিল। চহৰৰ বিদ্যালয় আৰু শিক্ষা ব্যৱস্থা উন্নত কৰাৰ ক্ষেত্ৰত চিছোদিয়াৰ সৈতে ঘনিষ্ঠভাৱে কাম কৰাৰ লগতে আপৰ আটাইতকৈ সোচ্চাৰ নেতাসকলৰ মাজৰ এজন। আন এজন হৈছে সৌৰভ ভৰদ্বাজ৷ দিল্লীৰ বৰ্তমানৰ স্বাস্থ্যমন্ত্ৰী সৌৰভ ভৰদ্বাজ হৈছে আন এজন প্ৰাৰ্থী যাক এই পদ প্ৰদান কৰিব পাৰে। আন এজন চৰ্চিত নাম হৈছে গোপাল ৰায়৷ গোপাল ৰায় বৰ্তমানৰ পৰিৱেশ, বন আৰু বন্যপ্ৰাণী, উন্নয়ন আৰু সাধাৰণ প্ৰশাসন বিভাগৰ কেবিনেট মন্ত্ৰী। লক্ষ্ণৌ বিশ্ববিদ্যালয়ৰ পৰা সমাজবিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছে। লক্ষ্ণৌত এজন ছাত্ৰ নেতা হিচাপে মহাবিদ্যালয় চৌহদত অপৰাধ আৰু দুৰ্নীতিৰ বিৰুদ্ধে কেইবাটাও অভিযানৰ অংশ আছিল। এই তিনিজন নেতাৰ ভিতৰত এজন নেতাই দিল্লীৰ মুখ্যমন্ত্ৰীৰ চকীত বহাৰ সম্ভাৱনা আছে৷ দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে দেওবাৰে দুদিনৰ ভিতৰত পদত্যাগ কৰাৰ ঘোষণা কৰে৷ দিল্লীত আগতীয়া নিৰ্বাচনৰ দাবী কৰি জনগণে ভোটৰ দ্বাৰা সততাৰ প্ৰমাণপত্ৰ নিদিয়ালৈকে মুখ্যমন্ত্ৰীৰ চকীত নবহাৰ প্ৰতিশ্ৰুতি লয়। আবকাৰী নীতি দুৰ্নীতিৰ গোচৰত ২১ মাৰ্চত গ্ৰেপ্তাৰ হোৱা কেজৰিৱালক শুকুৰবাৰে তিহাৰৰ পৰা জামিনত মুক্তি দিয়া হয়৷ কেজৰিৱালে কয় মানুহে মোক সততাৰ প্ৰমাণপত্ৰ দিয়াৰ পিছতহে মই মুখ্যমন্ত্ৰীৰ চকীত বহিম। আশ্চৰ্যজনকভাৱে কেজৰিৱালে এই সিদ্ধান্ত লোৱাৰ পাছতে দিল্লীৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী কোন হ'ব তাকে লৈ চৰ্চা চলিছে৷ আনহাতে ৰাজনৈতিক মহলত কেজৰিৱালৰ এই সিদ্ধান্ত কেনেধৰণৰ সিদ্ধান্ত সেই লৈয়ো অব্যাহত আছে ব্যাপক চৰ্চা। একাংশই এয়া কেজৰিৱালৰ এই সিদ্ধান্তক মাষ্টাৰষ্ট্ৰোক আখ্যা দিয়াৰ বিপৰীতে একাংশই ইয়াক ৰিস্ক আখ্যা দিয়া দেখা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘মোক দিছিল প্ৰধানমন্ত্ৰী পদৰ

পদৰ বাবে অহা অফাৰৰ কথা ৰাজহুৱা কৰিছে বিজেপিৰ প্ৰবীণ নেতাগৰাকীয়ে। শনিবাৰে মহাৰাষ্ট্ৰৰ নাগপুৰত এক বঁটা প্ৰদান অনুষ্ঠানত বিজেপিৰ জ্যেষ্ঠ নেতাগৰাকীয়ে প্ৰধানমন্ত্ৰী পদৰ বাবে অফাৰ অহাৰ কথা ৰাজহুৱা কৰে। গাডকাৰীয়ে কয় যে মোৰ এটা ঘটনা মনত আছে। সেই লোকজনৰ নাম নকওঁ। তেওঁ কৈছিল আপুনি যদি প্ৰধানমন্ত্ৰী হ’ব খোজে তেন্তে আমি আপোনাক সমৰ্থন কৰিম। গাডকাৰীয়ে ভাষণত আৰু কয় যে মই সেই লোকজনক সুধিছিলো। আপুনি মোক কিয় সমৰ্থন কৰিব আৰু মই আপোনাৰ সমৰ্থন কিয় গ্ৰহণ কৰিম। মই স্পষ্ট কৰিছিলো যে প্ৰধানমন্ত্ৰী হোৱাটোৱেই মোৰ জীৱনৰ লক্ষ্য নহয়। মোৰ দৃঢ় বিশ্বাস আৰু মই সংগঠনৰ প্ৰতি আনুগত্যশীল আৰু তাৰ বাবে মই আপোচ নকৰিলো। মই পদৰ বাবে আপোচ নকৰো। বিশ্বাসহে মোৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ। উল্লেখ্য যে, বিজেপিত পৰৱৰ্তী সময়ত প্ৰধানমন্ত্ৰী পদৰ প্ৰাৰ্থী কোন হ’ব। তাকে লৈ বাৰে বাৰে চৰ্চা হয়। কিন্তু প্ৰধানমন্ত্ৰী পদৰ বাবে অফাৰ হোৱাৰ বিষয় ৰাজহুৱা কৰি প্ৰধানমন্ত্ৰী পদৰ বাবে নিজকে সাজু কৰিলে নেকি মন্ত্ৰী নীতিন গাডকাৰীয়ে? প্ৰধানমন্ত্ৰী পদৰ উচ্চাকাংক্ষা নাই বুলি কলেও গাডকাৰীৰ এই মন্তব্যই চৰ্চা লাভ কৰিছে। বিশেষকৈ আৰএছএছৰ ভিতৰতো মোদীৰ উত্তৰসূৰী কোন হ’ব তাক লৈ চৰ্চা অব্যাহত আছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে অনশন

বিল আদায় দিবলগীয়া হৈছে। তেনে সময়তে ৰাজ্যজুৰি স্মাৰ্ট মিটাৰ বিৰোধী প্ৰতিবাদ আৰম্ভ হৈছিল। কিন্তু অন্যান্য কিছু বিষয়ৰ ফলত স্মাৰ্ট মিটাৰ বিৰোধী আন্দোলন নিস্তেজ হয়। কিন্তু শিৱসাগৰত চাৰি যুৱকে বৰ্তমানেও স্মাৰ্ট মিটাৰ বিৰোধী আন্দোলন অব্যাহত ৰাখিছে। শিৱসাগৰৰ দৌলমুখ চাৰিআলিত চাৰি যুৱকে ৭২ ঘণ্টীয়া অনশন চলাই গৈছে। কিন্তু অনশনথলীৰ পৰা আহিছে এটা বেয়া খবৰ। অনশনকাৰী চাৰি যুৱকৰ ভিতৰত এজন যুৱক হঠাতে গুৰুতৰভাৱে অসুস্থ হৈছে। অসুস্থ যুৱকজন অভিজিত চেতিয়া আৰু তেওঁ ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ সদস্য। বৃহস্পতিবাৰৰ সন্ধিয়াৰ পৰা ৭২ ঘন্টীয়া অনশন কাৰ্যসূচী ৰূপায়ন কৰি থকাৰ সময়তে অভিজিত চেতিয়া অসুস্থ হোৱাত শিৱসাগৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। তিনি অনশনকাৰীয়ে বৰ্তমানেও অনশন অব্যাহত ৰাখিছে যদিও অসুস্থ হৈ পৰাৰ সম্ভাৱনা আছে। সোমাবাৰে সন্ধিয়া ৬ বজাত অনশন সমাপ্ত কৰিব যদিও প্ৰশাসনে গুৰুত্ব আৰোপ নকৰাৰ অভিযোগ উত্থাপন হৈছে। স্মাৰ্ট মিটাৰে ৰাজ্যখনৰ বিদ্যুৎ গ্ৰাহকক বিপত পেলাইছে যদিও বহু দল-সংগঠন আজিও নিমাত।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কৰ্মচাৰীক ধন্যবাদ দিলে

পৰীক্ষাত সুচাৰুৰূপে আৰু সুকলমে অনুষ্ঠিত হৈ যোৱা বুলি দাবী কৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ চৰকাৰী কৰ্মচাৰীসকলক ধন্যবাদ জ্ঞাপন কৰে। পৰীক্ষা সমাপ্ত হোৱাৰ পাছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত এটা পোষ্ট দি সকলোকে ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কৃতজ্ঞতা জনাই কয় “ADRE অৰ্থাৎ অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষালানিৰ আজিৰ প্ৰথম দিনৰ পৰীক্ষাটি শান্তিপূৰ্ণভাৱে সমাপ্ত হৈছে। কোনো ধৰণৰ সমস্যাৰ সৃষ্টি নোহোৱাকৈ এই পৰীক্ষাটি সফলতাৰে সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত অৰিহণা যোগোৱা অসম চৰকাৰৰ সকলো বিষয়া-কৰ্মচাৰীকে ধৰি সদৌটিকে মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। পুনৰবাৰ আমাৰ যুৱক-যুৱতীসকলক আশ্বাস দিব বিচাৰোঁ যে চৰকাৰী নিযুক্তিৰ ক্ষেত্ৰত আমি সম্পূৰ্ণ স্বচ্ছ আৰু নিকা পদ্ধতি অৱলম্বন কৰিছোঁ আৰু ভৱিষ্যতেও একেধৰণে স্বচ্ছতাৰে আগুৱাই যাম।”

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চৰকাৰী আৰ্ট কলেজত

অব্যাহত আছে। কেইবাটাও দাবীৰ সমৰ্থনত এই প্ৰতিবাদ অব্যাহত ৰাখিছে ছাত্ৰ-ছাত্ৰীসকলে। অনশনত বহা ছাত্ৰ-ছাত্ৰীসকলৰ সমস্যাক চৰকাৰে গুৰুত্ব নিদিয়াৰ অভিযোগ উঠিছে। পঢ়াৰ পৰিৱেশ নথকা মহাবিদ্যালয়খনৰ অৰাজক পৰিস্থিতিক লৈ চিন্তিত ছাত্ৰ সমাজ। ছাত্ৰ জিৰণি কোঠা, প্ৰেক্ষাগৃহ, স্মাৰ্ট শ্ৰেণী কোঠা, স্মাৰ্ট বৰ্ড, ইণ্টাৰনেটৰ সুবিধা নথকাৰ অভিযোগ আনিছে প্ৰতিবাদৰত ছাত্ৰ-ছাত্ৰীসকলে। ক্ৰীড়াৰ সামগ্ৰী দিয়া, খোৱা পানীৰ ব্যৱস্থা আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে হোষ্টেলৰ ব্যৱস্থা কৰাৰ দাবী জনাই প্ৰতিবাদ অব্যাহত ৰাখিছে ছাত্ৰ-ছাত্ৰীসকলে। গুৱাহাটীৰ চৰকাৰী চাৰু কাৰু কলা মহাবিদ্যালয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ অন্তৰ্গত চাক্ষুস শিল্প শিক্ষাৰ একমাত্ৰ চৰকাৰী মহাবিদ্যালয়। চিবিচিএছৰ অন্তৰ্গত চাৰিবৰ্ষৰ ভিজুৱেল আৰ্টৰ স্নাতক, ফাইন আৰ্টৰ স্নাতক পাঠ্যক্ৰম থকা এইখন মহাবিদ্যালয়খনত পৰ্যাপ্ত শিক্ষক আৰু কৰ্মচাৰীৰ অভাৱ বুলি অভিযোগ আনে ছাত্ৰসমাজে। চাক্ষুস শিল্প শিক্ষা অসমৰ একমাত্ৰ মহাবিদ্যালয়খনত আজিলৈকে ছাত্ৰৰ বাবে সাধাৰণ ব্যৱস্থাখিনি কৰা নহ’ল বুলি আক্ষেপ কৰে ছাত্ৰ-ছাত্ৰীয়ে। ৮ চেপ্টেম্বৰৰ পৰা ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিবাদ অব্যাহত ৰাখিছে যদিও চৰকাৰৰ কোনো প্ৰতিনিধিয়ে খবৰ লোৱা নাই। এই প্ৰতিবাদক সমৰ্থন কৰিছে এছ এফ আয়ে। ১২ চেপ্টেম্বৰত প্ৰতিবাদত এছএছআইৰ ৰাজ্যিক সদস্য ৰাজদ্বীপ মহন্ত উপস্থিত থাকে। উল্লেখ্য যে দিনদিয়েক পূৰ্বে প্ৰতিবাদী ছাত্ৰ-ছাত্ৰীসকলে এগৰাকী মন্ত্ৰীৰ কনভয় গৈ থকা অৱস্থাত কনভয় ৰখাই প্ৰতিবাদ সাব্যস্ত কৰিছিল।

মীৰাটত ভয়ংকৰ ঘটনা

# তিনিমহলীয়া অট্টালিকা ভাঙি ৯জনৰ কৰুণ মৃত্যু

**ই-সংবাদ, ১৫ছেপ্তেম্বৰঃ** উত্তৰ প্ৰদেশৰ মীৰাটত সংঘটিত হৈছে এক ভয়ংকৰ ঘটনা। অঞ্চলটোৰ লোহিয়া নগৰ থানা এলেকাৰ মহল্লা জাকিৰ কলনীত এটা তিনিমহলীয়া অট্টালিকা ভাঙি পৰাত এটা পৰিয়ালৰ প্ৰায় ১৫ জন লোকক ধ্বংসাৱশেষৰ তলত আবদ্ধ হৈ পৰে। এই কৰুণ ঘটনাটোত পৰিয়ালটোৰ ৯ জন লোকৰ মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। ঘটনা সংঘটিত হোৱাৰ পিছতে ঘটনাস্থলত উপস্থিত হোৱা আৰক্ষী-প্ৰশাসনৰ লগতে স্থানীয় লোকৰ সহযোগত ক্ষীপ্ৰতাৰে উদ্ধাৰ অভিযান আৰম্ভ কৰা হয়। দেওবাৰে পুৱা ৩ বজালৈকে প্ৰায় ১০ ঘণ্টা ধৰি চলা উদ্ধাৰ অভিযানত ১১ জন লোকক ধ্বংসাৱশেষৰ পৰা উদ্ধাৰ কৰি চিকিৎসালয়লৈ লৈ যোৱা হয়, ইয়াৰে জিলা দণ্ডাধীশৰ মতে ৯ জন লোকৰ মৃত্যু হৈছে। ধ্বংসাৱশেষত এতিয়াও ৪ জন লোক আবদ্ধ হৈ আছে বুলি জানিব পৰা গৈছে। বিগত কিছুদিনৰ পৰা হৈ থকা বৰষুণৰ ফলত তিনি মহলীয়া অট্টালিকাটো তাচপাতৰ দৰে খহি পৰে।

# সাংবাদিক লুইত চলিহা আৰু নাই



**ই-সংবাদ, ১৫ছেপ্টেম্বৰঃ** অসমৰ এগৰাকী বিশিষ্ট ফটো সাংবাদিক, ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় পৰ্যায়ত আলোক চিত্ৰশিল্পী হিচাপে সুনাম অৰ্জন কৰা শিৱসাগৰৰ সুসন্তান তথা শিৱসাগৰ প্ৰেছ ক্লাবৰ সদস্য লুইত চলিহা(৫০) আৰু নাই। দেওবাৰে সন্ধিয়া ৬ বজাত যোৰহাট জিলাৰ কেন্দুগুৰিৰ ভাড়াঘৰত সাংবাদিকগৰাকীয়ে অকালতে মৃত্যুবৰণ কৰে। প্ৰখ্যাত চলিহা পৰিয়ালত ১৯৭৪ চনত জন্মগ্ৰহণ কৰা লুইত চলিহা আছিল নাট্যকাৰ তথা অভিনেতা বিভূতি চলিহাৰ একমাত্ৰ পুত্ৰ। প্ৰাথমিক বিদ্যালয়ত পৰাই মেধা সম্পন্ন ছাত্ৰ লুইত চলিহাই ১৯৯০ চনত শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা সুখ্যাতিৰে প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ শিৱসাগৰ কলেজত উচ্চ শিক্ষা আৰম্ভ কৰিছিল।

# কেজৰিৱালে বহা দিল্লীৰ মুখ্যমন্ত্ৰীৰ চকীত এইবাৰ বহিব কোন?

## কপাল ফুলিব পাৰে আতিশী, গোপাল ৰায়, সৌৰভ ভৰদ্বাজৰ

**ই-সংবাদ, ১৫ ছেপ্টেম্বৰঃ** দুদিনৰ ভিতৰত আনুষ্ঠানিকভাৱে মুখ্যমন্ত্ৰীৰ পদ এৰিব দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে। অৰবিন্দ কেজৰিৱালে পদ এৰাৰ পাছতে আম আদমী পাৰ্টীৰ কোনজন নেতাৰ কপাল ফুলিব। কিয়নো প্ৰায় ৫ মাহ মুখ্যমন্ত্ৰী পদত বহিব পাৰিব আম আদমী পাৰ্টীৰ এজন নেতাই। এতিয়া প্ৰশ্ন হৈছে এই ভাগ্যৱান নেতা জন কোন? পদ ত্যাগৰ ঘোষণা কৰাৰ সময়ত কেজৰিৱালে কয় অহা কেইদিনমানৰ ভিতৰত আপৰ বিধায়কসকলে এখন বৈঠক অনুষ্ঠিত কৰিব আৰু এজন আপ নেতাই মুখ্যমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী হিচাপে নিযুক্তি পাব পৰা সম্ভাব্য প্ৰাৰ্থীসকলৰ ভিতৰত আছে আতিশী মাৰ্লীনা। আতিশী ২০২০ চনত প্ৰথমবাৰৰ বাবে দিল্লী বিধানসভালৈ নিৰ্বাচিত হৈছিল। চহৰৰ বিদ্যালয় আৰু শিক্ষা ব্যৱস্থা উন্নত কৰাৰ ক্ষেত্ৰত চিছোদিয়াৰ সৈতে ঘনিষ্ঠভাৱে কাম কৰাৰ লগতে আপৰ আটাইতকৈ সোচ্চাৰ নেতাসকলৰ মাজৰ এজন। আন এজন হৈছে সৌৰভ ভৰদ্বাজ। দিল্লীৰ বৰ্তমানৰ স্বাস্থ্যমন্ত্ৰী সৌৰভ ভৰদ্বাজ হৈছে আন এজন প্ৰাৰ্থী যাক এই পদ প্ৰদান কৰিব পাৰে। আন এজন চৰ্চিত নাম হৈছে গোপাল ৰায়। গোপাল ৰায় বৰ্তমানৰ পৰিৱেশ, বন আৰু বন্যপ্ৰাণী, উন্নয়ন আৰু সাধাৰণ প্ৰশাসন বিভাগৰ কেবিনেট মন্ত্ৰী। লক্ষ্মৌ বিশ্ববিদ্যালয়ৰ পৰা সমাজবিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছে। লক্ষ্মৌত এজন ছাত্ৰ নেতা হিচাপে মহাবিদ্যালয় চৌহদত অপৰাধ আৰু দুৰ্নীতিৰ বিৰুদ্ধে কেইবাটাও অভিযানৰ অংশ আছিল। এই তিনিজন নেতাৰ ভিতৰত এজন নেতাই দিল্লীৰ মুখ্যমন্ত্ৰীৰ চকীত বহাৰ সম্ভাৱনা আছে। দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে দেওবাৰে দুদিনৰ ভিতৰত পদত্যাগ কৰাৰ ঘোষণা কৰে। দিল্লীত আগতীয়া নিৰ্বাচনৰ দাবী কৰি জনগণে ভোটৰ দ্বাৰা সততাৰ প্ৰমাণপত্ৰ নিদিয়ালৈকে মুখ্যমন্ত্ৰীৰ চকীত নবহাৰ প্ৰতিশ্ৰুতি লয়। আবকাৰী নীতি দুৰ্নীতিৰ গোচৰত ২১ মাৰ্চত গ্ৰেপ্তাৰ হোৱা কেজৰিৱালক শুকুৰবাৰে তিহাৰৰ পৰা জামিনত মুক্তি দিয়া হয়। কেজৰিৱালে কয় মানুহে মোক সততাৰ প্ৰমাণপত্ৰ দিয়াৰ পিছততহে মই মুখ্যমন্ত্ৰীৰ চকীত বহিম। আশ্চৰ্যজনকভাৱে কেজৰিৱালে এই সিদ্ধান্ত লোৱাৰ পাছতে দিল্লীৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী কোন হ'ব তাকে লৈ চৰ্চা চলিছে।



ভিয়েটনামত বানপানী! এনেদৰেই গন্তব্য স্থানলৈ চলিছে চলা-ফিৰা

## কৃষি বিপ্লৱৰে বছৰি কৰিছে লাখ লাখ টকা উপাৰ্জন

# শুক্লাইত কৃষি বিপ্লৱ, অমিতা খেতি কৰি স্বাৱলম্বী বিপ্লৱ-মানস

**ই-সংবাদ, শুক্লাই, ১৪ ছেপ্টেম্বৰঃ** চাকৰিৰ সন্ধানত অধিকাংশ যুৱক-যুৱতীয়ে বহিঃৰাজ্যলৈ ঢাপলি মেলে। সেই সময়তে ওদালগুৰি জিলাৰ শুক্লাইৰ দুই শিক্ষিত যুৱকে জৈৱিক সাৰেৰে উৎপাদিত শাক-পাচলি উদপাদনত সহায় কৰি আহিছে। দুই যুৱকে নিজে স্বাৱলম্বী হোৱাৰ লগতে বহু যুৱক-যুৱতীৰ বাবে আদৰ্শ স্থাপন কৰিছে। শুক্লাইৰ বিপ্লৱ ছেত্ৰী আৰু মানস পৌড়েলে বিগত কেইবা বছৰ ধৰি কেচুসাৰ তথা ভাৰ্মিবাস উৎপাদন কৰি আহিছে। ভাৰ্মিবাস এটা সম্পুৰ্ণ (Liquid) জৈৱিক সাৰ। নাইট্ৰজেন, ফছফৰাছ তথা হৰমন আমিনো এচিড পোৱা যায়। বিশেষকৈ জৈৱিক ভাৱে উৎপাদিত চাহ খেতি তথা শাক পাচলিৰ খেতিত ব্যৱহাৰ কৰিলে উদপাদন বৃদ্ধি পোৱা দেখা যায়। ঔষধ উৎপাদন কৰি ব্যাপক সফলতা লাভ কৰিছে দুই যুৱকে। ইতিমধ্যে জৈৱিক ঔষধে ব্যাপক জনপ্ৰিয়তা লাভ কৰি কৃষক ৰাইজৰ প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে বিপ্লৱ ছেত্ৰী আৰু মানস পৌড়েল। প্ৰায় তিনি বিঘা মাটিত দুই যুৱকে অমিতা খেতি কৰি এক নিদৰ্শন দেখুৱাই দিছে। স্থানীয় যুৱ সমাজকৰ্মী মনোজ মিশ্ৰই তিনিবিঘা মাটি দুই যুৱকক খেতি কৰিবলৈ দিয়ে আৰু শিক্ষিত দুই যুৱকে উন্নতমানৰ অমিতা খেতি কৰি লাখ লাখ টকা উপাৰ্জন কৰিবলৈ সক্ষম হোৱা বুলি সাংবাদিকৰ আগত জানিবলৈ দিয়ে। পুৱাৰ পৰা সন্ধিয়ালৈকে নিজৰ খেতিত কাম কৰি অহা যুৱকে দৈনিক এতিয়া হেজাৰ হেজাৰ টকাৰ অমিতা বিক্ৰী কৰি আহিছে। অমিতা নিবলৈ পুৱাৰ পৰা গৃহলৈ ব্যৱসায়ীৰ আগমন ঘটে। অমিতাৰ লগতে বিভিন্ন ধৰণৰ শাক-পাচলিৰ খেতি কৰি দুই যুৱকে আৰম্ভ কৰিছে। দুই যুৱকে নতুনকৈ উঠি অহা যুৱ চামক কেৱল চাকৰিৰ আশা নকৰি কৃষি বিপ্লৱৰ যোগেদি স্বাৱলম্বী হ'বলৈ অনুৰোধ জনায়।




কৃষি বিপ্লৱেৰে সপোনৰ দিশে সবল খোজ দিছে শুক্লাইৰ মানস- বিপ্লৱে

# কন্যাক নৃশংস হত্যাৰ অভিযোগ, নিজকো শেষ কৰাৰ প্ৰয়াস পিতৃৰ

**ই-সংবাদ, ১৫ছেপ্টেম্বৰঃ** ৰাজ্যত অসহিষ্ণু মানুহৰ সংখ্যা ক্ৰমে বৃদ্ধি পাব ধৰিছে। খং আৰু সমস্যাৰ বিৰুদ্ধে যুঁজাৰ ক্ষমতা হেৰুৱাই পেলোৱা একাংশ লোকে নিজেও চূড়ান্ত সিদ্ধান্ত লোৱাৰ লগতে পৰিয়ালৰ সদস্যকো হত্যা কৰিবলৈ কুণ্ঠাবোধ নকৰা হৈছে। তেনেই এক ঘটনা সংঘটিত হৈছে ডিব্ৰুগড় জিলাৰ টিংখাঙত। টিংখাঙত নিজ পিতৃয়ে কন্যাক হত্যা কৰি নিজেও আত্মহত্যা কৰিবলৈ প্ৰয়াস কৰাৰ দৰে ঘটনা সংঘটিত হৈছে। দুবছৰীয়া কন্যাক হত্যা কৰি নিজেও আত্মহত্যাৰ প্ৰয়াস কৰাৰ ঘটনাই তীব্ৰ চাঞ্চল্য সৃষ্টি কৰিছে ডিব্ৰুগড় জিলাৰ টিংখাঙত। জানিব পৰা মতে, টিংখাং আৰক্ষী থানা এলেকাৰ লাইপুলি গাঁৱৰ ছুটু মূড়াই দ্বিতীয় বিবাহ কৰাইছিল। দ্বিতীয় পত্নীয়ে লগত আনিছিল এটি দুবছৰীয়া কন্যা সন্তান। দ্বিতীয় পত্নীয়ে লগত অনা দুবছৰীয়া কন্যা সন্তানটোক হত্যা কৰি ছুটু মূড়াই নিজেও আত্মহত্যা কৰিব খোজাৰ অভিযোগ উত্থাপন হৈছে। দুবছৰীয়া কন্যা সন্তানটোৰ দেহৰ বিভিন্ন অংশত আঘাতৰ চিন স্পষ্ট হৈ আছে। ছুটু মূড়াই কণমানিক হত্যা কৰাৰ সন্দেহ কৰি ৰাইজে জবাবদেহী কৰাত ছুটু মূড়াই বিদ্যুৎ পৰিবাহী ট্ৰান্সফৰ্মাৰ আৰু তাঁৰত ধৰি আত্মহত্যাৰ প্ৰয়াস কৰে। স্থানীয় লোকে মূড়াক উদ্ধাৰ কৰি ততাতৈয়াকৈ ৰাজগড় সামূহিক চিকিৎসালয়ত ভৰ্তি কৰে যদিও অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে। ঘটনা পোহৰলৈ অহাৰ পাছতে টিংখাং আৰক্ষীয়ে তদন্ত আৰম্ভ কৰি শিশুটোৰ মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰিছে।

# মৰিগাঁৱত মন্দিৰৰ আৰ্হিৰ এটি বিশেষ ঘৰ

**ই-সংবাদ, লাহৰীঘাট, ১৫ছেপ্টেম্বৰঃ** ৯৬ বছৰৰ পূৰ্বেই মৰিগাঁৱত নিৰ্মাণ কৰা এটা বিশেষ গৃহ । বহু স্মৃতি বিজড়িত হৈ আছে গৃহটিৰ লগত । পৰিত্যক্ত অৱস্থাত থকা ব্ৰিটিছৰ শাসনকালৰ গৃহটি এতিয়া সংৰক্ষণ কৰা হ'ব ঐতিহাসিক গৃহ হিচাবে ।মৰিগাঁও জিলাৰ আটাইতকৈ পুৰণি ইতিহাস প্ৰসিদ্ধ চৰকাৰী কাৰ্যালয়ৰ এটি গৃহ । ব্ৰিটিছৰ শাসনৰ সময়ত ১৯২৮ চনতে নিৰ্মীত এই গৃহ মৰিগাঁও জিলাৰ সদৰ থানা প্ৰতিষ্ঠাৰ সমসাময়িক বুলি জনা গৈছে । এসময়ত উক্ত ঘৰটোৰ পৰাই অবিভক্ত নগাঁও জিলাৰ বিভিন্ন চৰকাৰী কাম-কাজ সম্পন্ন হৈছিল ।জিলা শিক্ষা বিভাগৰ অধীনস্থ এই ঐতিহ্যপূৰ্ণ গৃহটো মৰিগাঁও জিলাৰ এজন জ্যেষ্ঠ সচেতন ব্যক্তি খগেন মহন্তৰ এক প্ৰস্তাৱৰ আঁত ধৰি মৰিগাঁও জিলা প্ৰশাসনে ল'লে এক বিশেষ পদক্ষেপ । আগন্তুক জিলা দিৱসৰ লগত সংগতি ৰাখি জিলা আয়ুক্তৰ উদ্যোগত আৰু সংশ্লিষ্ট বিভাগৰ সহযোগত নতুনকৈ সজাই পৰাই তুলি ব্যৱহাৰৰ উপযোগী কৰি তোলাৰ প্ৰয়াস লোৱা হৈছে । এইটো জিলাখনৰ অন্যতম Heritage Building হিচাপে চিহ্নিত হৈ ৰ'ব । মৰিগাঁৱৰ বহু ইতিহাস বিজড়িত আৰু ঐতিহাসিক প্ৰেক্ষাপটত শতায়ু গৰকিবলৈ উপক্ৰম হোৱা বিশেষ গৃহটি পুনৰ মেৰামতি কৰাৰ পৰিকল্পনা কৰা হৈছে । মৰিগাঁও জিলা দিৱসৰ প্ৰাক ক্ষণত গৃহটিৰ সংৰক্ষণৰ ক্ষেত্ৰত যথোচিত ব্যৱস্থা গ্ৰহণ কৰিব জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই । ফলত উৎফুল্লিত হৈ পৰিছে মৰিগাঁওবাসী ।এই বিশেষ গৃহটিৰ লগত জড়িত হৈ আছে আজিৰ প্ৰজন্মই নজনা মৰিগাঁৱৰ বহু ইতিহাস বিজড়িত কথা । প্ৰায় ১৯২৮ চনতেই নিৰ্মাণ কৰা গৃহটি প্ৰথমাৱস্থাত চিকিৎসালয় হিচাপে ব্যৱহৃত হৈছিল যদিও পৰৱৰ্তী সময়ত বহুকেইটা চৰকাৰী বিভাগৰ কাৰ্যালয় হিচাপে আৰম্ভণি ঘটিছিল সেই বিশেষ ঘৰটিৰ পৰাই । সেই সময়ৰ প্ৰযুক্তি ব্যৱহাৰ কৰি কংক্ৰিট আৰু কাঠেৰে আটোমটোকাৰীকৈ নিৰ্মাণ কৰা ঘৰটিৰ ওপৰভাগ মন্দিৰৰ আৰ্হিৰে গম্বুজ আকৃতিত লগোৱা আছিল টিনপাত । বৰ্তমান ঘৰটিৰ বেৰসমূহৰ অংশবিশেষত মেলিছে ফাট । টিনপাতবোৰত ধৰিছে মামৰ । দৰ্জা-খিড়িকীবোৰত লগোৱা গ্লাছবোৰ ভাগিছে । বতাহত যিকোনো মূহুৰ্তত হয়তো ঘৰটি ভাগি যাব পাৰে । এনে সন্ধিক্ষণত মৰিগাঁৱৰ ঐতিহাসিক প্ৰেক্ষাপটত এই ঘৰটিৰ প্ৰয়োজনীয় গুৰুত্ব আৰু বৰ্তমান প্ৰজন্মই ইয়াৰ বিষয়ে সহজে জানিব পৰাকৈ সংৰক্ষণ কৰাৰ বাবে চেষ্টা কৰিছে মৰিগাঁৱৰ কৰ্মচাৰী পৰিষদৰ সভাপতি খগেন মহন্ত নামৰ বিশেষ ব্যক্তিগৰাকীয়ে। তেখেতৰ অনুৰোধক্ৰমে মৰিগাঁৱৰ জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই ঘৰটিৰ সংৰক্ষণ আৰু প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অহা ১৪ আৰু ১৫ অক্টোবৰত ঘৰটিৰ সংৰক্ষণৰ বাবে প্ৰাৰম্ভিক কাম-কাজ সমাপ্ত কৰাৰ কথা ।

## তম্বুৰ তলত সোমাই আৰক্ষীয়ে গুলী চলোৱাৰ অভিযোগ ৰাইজৰ দলৰ

# চৰকাৰ পতন হোৱাৰ উমান পাই উচ্ছেদৰ নামত ধৰ্মীয় মেৰুকৰণ

**ই-সংবাদ, ১৫ছেপ্তেম্বৰঃ** সোণাপুৰৰ উচ্ছেদক লৈ ৰাজনীতি অব্যাহত আছে। ১২ ছেপ্তেম্বৰত আৰক্ষীৰে স্থানীয় লোকৰ সংঘৰ্ষত ২৩ আৰক্ষী আহত হোৱাৰ লগতে দুজন লোক নিহত হৈছিল। লগতে এগৰাকী কিশোৰী আহত হৈছিল। এই ঘটনাক লৈ এইবাৰ চৰকাৰক উভতি ধৰিছে ৰাইজৰ দলৰ নেতা হৰেশ্বৰ বৰ্মনে। ৰাইজৰ দলৰ মঠঘৰীয়াস্থিত মুখ্য কাৰ্যালয়ত সংবাদমেল পাতি ৰাইজৰ দলৰ উপ-সভাপতি হৰেশ্বৰ বৰ্মনে চৰকাৰ তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে কেইবাটাও গুৰুতৰ অভিযোগ আনিছে। বৰ্মনে ২০২৬ চনত হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰ উফৰি যোৱাৰ ভয়তহে চৰকাৰে উচ্ছেদক লৈ ধৰ্মীয় মেৰুকৰণ কৰাৰ অভিযোগ আনে। হৰেশ্বৰ বৰ্মনে স্পষ্ট কৰে যে ৰাইজৰ দলে কেতিয়াও ডিমৰীয়া ট্ৰাইবেল বেল্টৰ ভূমি উচ্ছেদৰ বিৰোধিতা কৰা নাই। কিন্তু উচ্ছেদ সাংবিধানিক নিয়ম অনুসৰি হ'ব লাগে। ২০২৬ চনত হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰ পতন হোৱাৰ ভৱিষ্যবাণী কৰি হৰেশ্বৰ বৰ্মনে আৰু কয় যে ২০২৬ত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰ উফৰি যাব। এই কথা কথা জানি বিজেপি চৰকাৰে উচ্ছেদক লৈ ধৰ্মীয় মেৰুকৰণৰ ৰাজনীতি






আৰম্ভ কৰিছে। যাৰ বাবে ডিমৰীয়া ট্ৰাইবেল বেল্টত আমানৱীয় উচ্ছেদ চলাই ৰক্তাক্ত পৰিৱেশৰ সৃষ্টি কৰিব খোজা হৈছে। হৰেশ্বৰ বৰ্মনে এক গুৰুতৰ অভিযোগ উত্থাপন কৰি আৰক্ষীয়ে তম্বুৰ তলত সোমাই গুলীওৱাৰ অভিযোগ আনে। বৰ্মনে কয় যে ট্ৰাইবেল বেল্টৰ উচ্ছেদিতই ঘৰ-বাৰী এৰি সমীপতে তম্বু টানি আশ্ৰয় লৈছিল। কিন্তু মান সেনাৰ দৰে তম্বুৰ তলত সোমাই আৰক্ষীয়ে গুলীচালনা কৰি উচ্ছেদিতক হত্যা কৰিছে। আনকি আৰক্ষীৰ দলটোৱে ১০ বছৰীয়া শিশুৰ গুপ্ত অংশতো গুলীচালনা কৰে। ফলত একাংশ লোক উত্তেজিত হৈ আৰক্ষীক আক্ৰমণ কৰিছিল। সোণাপুৰ কচুতলিৰ প্ৰব্ৰজনকাৰী মুছলমানসকলক খেতি-বাতি কৰিবলৈ আনিছিল বুলি উল্লেখ কৰি বৰ্মনে কয় "ভোটবেংকৰ স্বাৰ্থত ১.৭০ কোটি হিন্দু বাংলাদেশীক সংস্থাপন কৰিব খোজা হিমন্ত বিশ্ব শৰ্মাই ট্ৰাইবেল বেল্টৰ ভূমি বহিৰাগত বণিক গোষ্ঠীক গটাব। কিন্তু ১৯৪০ চনত মুছলমানসকলে লোকপিয়লত নিজৰ মাতৃভাষা লিখিছে। দিল্লী আৰু হিমন্ত বিশ্ব শৰ্মাই নিবিচাৰে অসমীয়া লিখাটো। প্ৰকৃততে চৰকাৰখনে অসমীয়া ভাষাক ৰাজ্যিক ভাষা নোহোৱা কৰাটো বিচাৰে।

## জে এণ্ড ডি এম ইউৰ বৰপেটা জিলা সমিতিৰ কাৰ্যনিৰ্বাহক

**ই-সংবাদ, বৰপেটা, ১৫ ছেপ্তেম্বৰঃ** আজি সদৌ অসম জাৰ্নেলিষ্ট এণ্ড ডিজিটেল মিডিয়া  অসম জাৰ্নেলিষ্ট এণ্ড ডিজিটেল মিডিয়া সন্থা,বৰপেটা জিলা সমিতিৰ কাৰ্যনিৰ্বাহক আৰু আলোচনা সভা বৰপেটা ফখৰুদ্দিন আলী আহমেদ মেডিকেল কলেজ হস্পিতালৰ পশ্চিম প্ৰান্তত অৱস্থিত গুৰুকুল ছিনিয়ৰ ছেকণ্ডাৰী স্কুলত অনুষ্ঠিত হয়। বৰপেটা জিলা সমিতিৰ সভাপতি আবুল হুছেইনৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত উদ্দেশ্য ব্যাখ্যা কৰে বৰপেটা জিলা সমিতিৰ উপ- সভাপতি আব্দুল লতিফ খানে। সভাত সদৌ অসম জাৰ্নেলিষ্ট এণ্ড ডিজিটেল মিডিয়া সন্থাৰ কেন্দ্ৰীয় সভাপতি এ আলী আহমেদে সাংগাঠনিক দিনটো কেনেকৈ মজবুত কৰিব পৰা যায় তাৰ ওপৰত বক্তব্য প্ৰদান কৰে। তদুপৰি তেখেতে সংবাদকৰ্মী সকলে সন্থাৰ সংবিধান মানি চলি সততাৰে কাম কৰি যোৱাৰ লগতে গঠনমূলক আলোচনাৰ মাজেৰে সংগঠনটো আগুৱাই নিবলৈ আহ্বান জনায়। সভাত কেন্দ্ৰীয় সমিতিৰ প্ৰশাসনিক সম্পাদিকা লিপিকা তালুকদাৰে সংবাদকৰ্মী সকলক সততাৰে নিষ্ঠাৰে কাম কৰি যাবলৈ আহ্বান জনায়। সভাত জিলা সমিতিৰ উপদেষ্টা নুৰুল ইছলাম তালুকদাৰে সংবাদকৰ্মীসকলক গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ হিচাপে যথেষ্ট দায়িত্ব আছে বুলি উল্লেখ কৰি সেইখিনি দায়িত্ব নিষ্ঠাসহকাৰে পালন কৰি যাবলৈ আহ্বান জনায়। জিলা সমিতিৰ মুখ্য উপদেষ্টা মইনুল হক চৌধুৰীয়ে সাংবাদিক এগৰাকী খলা-বমা বাটেৰে আগবাঢ়ি যোৱাটো উজু নহয় বুলি কয়। তেওঁ সংবাদকৰ্মীসকলক একো একোগৰাকী সমাজকৰ্মী হিচাপে আখ্যায়িত কৰে।



লক্ষ্য উপনিৰ্বাচনঃ চামগুৰিত গাঁৱে গাঁৱে দলীয় সভা সম্বোধন সাংসদ ৰকিবুল হুচেইনৰ

# চিৰাঙত পুনৰ সংঘটিত জঘন্য ঘটনা

**ই-সংবাদ, ১৫ছেপ্তেম্বৰঃ** চিৰাঙৰ ভাৰত-ভূটান আন্তৰ্জাতিক সীমান্ত অঞ্চলত পুনৰ সংঘটিত হৈছে যৌন নিৰ্যাতনৰ ঘটনা। এইবাৰ বহিঃ ৰাজ্যৰ যুৱকে এগৰাকী ৫ বছৰীয়া কণমানিক যৌন নিৰ্যাতন চলোৱাৰ অভিযোগ উত্থাপিত হৈছে। ইতিমধ্যে স্থানীয় ৰাইজে ঘটনাৰ অভিযোগত অভিযুক্ত যুৱকজনক কৰায়ত্ব কৰি উত্তম-মাধ্যম শোধাই আৰক্ষীৰ হাতত গতাই দিয়া বুলি জানিব পৰা গৈছে। অভিযুক্ত যুৱকজন বিহাৰৰ পূৰ্ব চম্পাৰণ জিলাৰ মাধোপুৰৰ বাসিন্দা হাৰুন আনছাৰীৰ পুত্ৰ নুৰছীত আলম ওৰফে কাল্লু (২০) বুলি চিনাক্ত কৰা হৈছে। উল্লেখ্য যে ইয়াৰ পূৰ্বেও বৃহত্তৰ অঞ্চলটিত এনেধৰণৰ ঘটনা সংঘটিত হৈছিল।

## মৰিগাঁৱত পাঁচ জনজাতীয় সংগঠনৰ বিস্ফোৰক অভিযোগ

# মধ্য অসমৰ জনজাতীয় খণ্ড আৰু বেষ্টনীত চলিছে ব্যাপক বেদখল

**মৰিগাওঁ, ১৫ ছেপ্টেম্বৰঃ** কামৰূপ জিলাৰ সোনাপুৰৰ কচুতলিত জনজাতীয় খণ্ড আৰু বেষ্টনীত বেদখলকাৰীক উচ্ছেদক কেন্দ্ৰ কৰি ৰাজ্যজুৰি চৰ্চা চলি থকাৰ সময়তে সমগ্ৰ মধ্য অসমৰ বিভিন্ন জনজাতীয় খণ্ড আৰু বেষ্টনীত এচাম চৰকাৰী আমোলা-বিষয়াৰ পৃষ্ঠপোষকতাত ব্যাপক হাৰত বেদখল হোৱাৰ বিস্ফোৰক অভিযোগ উত্থাপন কৰিছে মধ্য অসমৰ পাঁচটাকৈ জনজাতীয় সংগঠনে। সদৌ তিৱা ছাত্ৰ সন্থাৰ সভাপতি চেনিৰাম মালাং, তিৱা যুৱ ছাত্ৰ পৰিষদৰ সভাপতি কৃষ্ণ কোঁৱৰ, সদৌ তিৱা সুৰক্ষা সমিতিৰ সাধাৰণ সম্পাদক চিনাৰাম বৰদলৈ, নিখিল বড়ো ছাত্ৰ সন্থাৰ মৰিগাঁও জিলা সমিতিৰ জয় চন্দ্ৰ বড়ো আৰু কাৰ্বি ছাত্ৰ সন্থাৰ মৰিগাঁও জিলা সমিতিৰ সভাপতি প্ৰদীপ বেয়ে এক প্ৰেছ বিবৃতিটোত উল্লেখ কৰে যে -মধ্য অসমত ডিমৰীয়াক সামৰি ১৭ টাকৈ সংৰক্ষিত জনজাতীয় খণ্ড আৰু বেষ্টনী আছে। মৰিগাঁও জিলাত ৭টা, নগাঁও জিলাত ৭টা আৰু হোজাই জিলাত ২ টা। এতেকে কেৱল ডিমৰীয়া সোণাপুৰৰ কচুতলিতে সীমাবদ্ধ নাৰাখি মৰিগাঁও, নগাঁও আৰু হোজাই জিলাৰ অন্তৰ্গত সংৰক্ষিত জনজাতীয় খণ্ড আৰু আবেষ্টনী সমূহৰত অবৈধ আৰু বে-আইনীভাৱে বসবাস কৰা সকলৰ বিৰুদ্ধে উচ্ছেদ অভিযান চলাবলৈ সংগঠন কেইটাই অসম চৰকাৰক আহ্বান জনাইছে। মৰিগাঁও জিলাৰ অন্তৰ্গত গোভা, পলাহ গুৰি, তেতেলীয়া, ঘগুৱা, জামাদৰী, বৰঙনি, ভলুকা জাৰি এই আটাইকেইটা সংৰক্ষিত জনজাতীয় খণ্ডতে বেদখল, অবৈধ নামজাৰী, ভুৱা নামজাৰী, অবৈধ মাটি হস্তান্তৰ আৰু নামজাৰী হৈছে। ইয়াৰ আঁৰত একাংশ মধ্যভোগী দালাল আৰু চৰকাৰী আমোলা-বিষয়াও জড়িত হৈ আছে। ভূমিৰ লগত সম্পৰ্ক থকা আটাইকেইটা কাৰ্যালয়তে দুই নম্বৰী কাৰ্য সংঘটিত হৈ আহিছে। জিলা কেইখনৰ প্ৰশাসনৰ দায়িত্বত থকা মুৰব্বী সকলেও জানিও নজনা আৰু দেখিও নেদেখাৰ ভাও জুৰি এনেধৰণৰ জালিয়াতি কামবোৰ সংঘটিত হৈ অহাত সহযোগিতা আগবঢ়াই আহিছে। অসম চৰকাৰে সংৰক্ষিত জনজাতীয় খণ্ড আৰু বেষ্টনীৰ এলেকাত অবৈধভাৱে বসবাস কৰা প্ৰব্ৰজিত নাগৰিক সকলক উচ্ছেদ কৰিবলৈ লোৱা পদক্ষেপক বিপুল আদৰণি জনোৱা বুলি উল্লেখ কৰে সংগঠন কেইটাই ।আনহাতে তিৱা জনজাতিৰ একমাত্ৰ বিধায়ক ৰমাকান্ত দেউৰীক এইক্ষেত্ৰত বিশেষ পদক্ষেপ ল'বলৈ সংগঠন কেইটাই আহ্বান জনাইছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# নৱাগত মহম্মদান স্পৰ্টছ ক্লাবৰ বিৰুদ্ধে নৰ্থ ইষ্ট

**কলকাতা, ১৫ ছেপ্টেম্বৰঃ** ইণ্ডিয়ান চুপাৰ লীগৰ প্ৰথমখন মেছত কাইলৈ নৱাগত মহম্মদান স্পৰ্টছ ক্লাবৰ বিৰুদ্ধে খেলিব নৰ্থ ইষ্ট ইউনাইটেডে। ইয়াৰ কিশোৰ ভাৰতী ক্ৰীড়াংগনত অনুষ্ঠিত হ'বলগীয়া খেলখনৰ জৰিয়তে প্ৰথমবাৰৰ বাবে ইণ্ডিয়ান চুপাৰ লীগত অৱতীৰ্ণ হ'ব মহম্মদানে। দলটোৱে ২০২৩-২৪ বৰ্ষৰ আই-লীগ চেম্পিয়ন হোৱাৰ সুবাদত এইবাৰ প্ৰথম আই এছ এল খেলিব। ইফালে ডুৰাণ্ড কাপ জয় কৰি উজ্জীৱিত হৈ থকা নৰ্থ ইষ্টে কাইলৈ জয়ৰ লক্ষ্যৰে খেল পথাৰত অৱতীৰ্ণ হ'ব। এতিয়ালৈ আই এছ এলত বিশেষ সফলতা লাভ নকৰা দলটোৱে শেহতীয়াভাৱে সুন্দৰ খেল প্ৰদৰ্শন কৰিছে। সেয়ে কাইলৈ এখন তীব্ৰ উত্তেজনাপূৰ্ণ খেল হ'ব বুলি ফুটবল প্ৰেমিসকলে আশা কৰিছে।

# অধ্যক্ষ সন্দীপ ঘোষক চি বি আইৰ গ্ৰেপ্তাৰ

**ই-সংবাদ, ১৫ছেপ্তেম্বৰঃ** আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ প্ৰাক্তন অধ্যক্ষ সন্দীপ ঘোষক গ্ৰেপ্তাৰ কৰিলে চিবিআয়ে। প্ৰাপ্ত তথ্য অনুসৰি, প্ৰমাণৰ লগত হেতালি কৰা আৰু তদন্তক ভুল পথে পৰিচালিত কৰাৰ অভিযোগত ঘোষক গ্ৰেপ্তাৰ কৰা হৈছে। ইয়াৰ পূৰ্বেও আৰ জি কৰ হাস্পতালৰ দুৰ্নীতিৰ তদন্তত সন্দীপ ঘোষক গ্ৰেপ্তাৰ কৰিছিল চিবিআয়ে। আজি ঘোষৰ লগতে টালা থানাৰ অ'চি অভিজিৎ মণ্ডলকো একেটা অভিযোগত গ্ৰেপ্তাৰ কৰিছে। উল্লেখ্য যে, চিকিৎসালয়খন তালা আৰক্ষী থানাৰ অধীনস্থ। ৯ আগষ্টত আৰ জি কৰ হাস্পতালত উদ্ধাৰ হৈছিল কনিষ্ঠ যুৱতী চিকিৎসকৰ অৰ্ধনগ্ন মৃতদেহ।

# আইচিচি আন্তঃৰাষ্ট্ৰীয় আম্পায়াৰৰ পেনেলত পাকিস্তানৰ মহিলা

**ই-সংবাদ, ১৫ছেপ্তেম্বৰঃ** পাকিস্তানৰ প্ৰাক্তন মহিলা ক্ৰিকেটাৰ ছালিমা ইমতিয়াজে ৰচিলে ইতিহাস। ছালিমা ইমতিয়াজক আইচিচি আন্তঃৰাষ্ট্ৰীয় আম্পায়াৰৰ পেনেলত স্থান দিয়া হৈছে। ছালিমা ইমতিয়াজ পাকিস্তানৰ প্ৰথমগৰাকী মহিলা যিয়ে মহিলা ক্ৰিকেট আৰু আইচিচি মহিলা ইভেণ্টৰ দ্বিপাক্ষিক আন্তঃৰাষ্ট্ৰীয় খেলত আম্পায়াৰ কৰিব পাৰিব। ছালিমা ইমতিয়াজ হৈছে পাকিস্তানী মহিলা ক্ৰিকেটাৰ কাইনাত ইমতিয়াজৰ মাতৃ। এই কৃতিত্ব অৰ্জন কৰি ছালিমা ইমতিয়াজ বহুত সুখী বুলি কয়। এয়া কেৱল তেওঁৰ বিজয় নহয়, ই হৈছে পাকিস্তানৰ প্ৰতিগৰাকী মহিলা ক্ৰিকেটাৰ আৰু আম্পায়াৰৰ জয়। ১৬ ডিচেম্বৰৰ পৰা মুলতানত অনুষ্ঠিত হ'বলগীয়া পাকিস্তান-দক্ষিণ আফ্ৰিকা মহিলা টি-২০ আন্তঃৰাষ্ট্ৰীয় শৃংখলাত আম্পায়াৰিং কৰি ছালিমা ইমতিয়াজে তেওঁৰ প্ৰথম দায়িত্ব গ্ৰহণ কৰিব। আইচিচি ডেভেলপমেণ্ট আম্পায়াৰ পেনেলত নাম থকাৰ পিছত ছালিমা ইমতিয়াজে পাকিস্তান ক্ৰিকেট ব'ৰ্ডৰ অফিচিয়েল ৱেবছাইটত নাম উল্লেখ কৰা হয়।

# বিশ্ববাসীয়ে প্ৰত্যক্ষ কৰিব দুটা মহাজাগতিক পৰিঘটনা

**ই-সংবাদ, ১৫ছেপ্তেম্বৰঃ** ছেপ্টেম্বৰ মাহতে দুটা ডাঙৰ পৰিঘটনাৰ সন্মুখীন হ'ব বিশ্ববাসী। বিশ্বই বছৰৰ দ্বিতীয়টো চুপাৰমুন প্ৰতক্ষ্য কৰিবলৈ ওলাইছে। ইয়াৰ লগতে বিশ্ববাসীয়ে এইবৰ্ষৰ শেষৰটো চন্দ্ৰগ্ৰহণৰ বিস্ময়কৰ দৃশ্যও বিশ্ববাসীয়ে প্ৰতক্ষ্য কৰিব। জ্যোতিৰ্বিজ্ঞানৰ এই পৰিঘটনা হ'ব ১৮ছেপ্টেম্বৰ অৰ্থাৎ অহা বুধবাৰে। চুপাৰমুনৰ এই পৰিঘটনাত চন্দ্ৰ পৃথিৱীৰ অতি ওচৰত থাকিব। ১৮ ছেপ্টেম্বৰত মাজনিশা ১:৪১ বজাৰ পৰা পুৱতি নিশা ৫:৪৭ বজালৈ বিশ্বই এই বৰ্ষৰ দ্বিতীয়টো চুপাৰমুন প্ৰত্যক্ষ কৰিব। এই ডাঙৰ পৰিঘটনাটো প্ৰত্যক্ষ কৰিবলৈ পাহৰি নাযাব। কিয়নো পৃথিৱী আৰু চন্দ্ৰ নিজৰ কক্ষপথত ইটোৱে সিটোৰ অতি ওচৰলৈ অহাৰ লগে লগে আকাশখনত এক আচৰিত দৃশ্য দৃশ্যমান হ'ব। পৃথিৱীৰ পৰা চন্দ্ৰ মাত্ৰ ৩৬১,৫৫২ কিলোমিটাৰ দূৰত থাকিব। তাৰতুলনাত গড় দূৰত্ব ৩৮৪,৪৭২ কিলোমিটাৰ। ইয়াৰ আপেক্ষিক সান্নিধ্যৰ অৰ্থ হ'ল চন্দ্ৰটো আকাশত সাধাৰণতকৈ ডাঙৰ আৰু স্পষ্টকৈ দেখা যাব। ইয়াৰোপৰি সেই দিনা পুৱা



৬:১২ বজাৰ পৰা আৰম্ভ হৈ পুৱা ১০:১৭ বজাত শেষ হ'ব শেষৰটো চন্দ্ৰগ্ৰহণ। চন্দ্ৰগ্ৰহণ আৰম্ভ হোৱাৰ সময়ত সমগ্ৰ ভাৰততে চন্দ্ৰ অস্ত যাব। সেয়ে ভাৰতৰ পৰা এই গ্ৰহণ দৃশ্যমান নহয়া যেতিয়া চন্দ্ৰগ্ৰহণ আৰম্ভ হ'ব তেতিয়া উত্তৰ পশ্চিম আৰু উত্তৰ দক্ষিণ ভাৰতত চন্দ্ৰ অস্ত যাব। গতিকে কিছু সময়ৰ বাবে এই অঞ্চলবোৰত চন্দ্ৰৰ পোহৰ ম্লান হৈ থাকিব। উল্লেখযোগ্য যে নাছাৰ মতে সাধাৰণতে ডেৰ-দুবছৰৰ মূৰে মূৰেহে এনেকুৱা ঘটনা পৰিলক্ষিত হয়। ১৯৪০ চনৰ পৰা ব্লুমুন অথবা চুপাৰমুন শব্দটো এটা মাহত দ্বিতীয় পূৰ্ণিমাৰ বাবেও ব্যৱহাৰ কৰা হয়।






newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮
বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান